## মৌখিক যোগাযোগৰ ধাৰণা, পৰিসৰ, ফলপ্ৰসূ মৌখিক যোগাযোগৰ বাবে প্ৰয়োজনীয় উপাদান, মৌখিক যোগাযোগৰ বাবে কথনৰ বেগৰ গুৰুত্ব

সাধাৰণ অৰ্থত মৌখিক যোগাযোগে মুখে মুখে সম্পৰ্ক স্থাপন বা কথা বতৰা পতা কাৰ্যক বুজায়। চমুকৈ ক'বলৈ হ'লে মুখামুখি কথোপকথন। বহুক্ষেত্ৰত মুখামুখি নোহোৱাকৈ বা কথা বতৰা নপতাকৈ একপক্ষীয়ভাৱে মুখেৰে কোনো বাৰ্তা প্ৰেৰণ কৰিবলগীয়া হয়। ইও মৌখিক যোগাযোগ। সেই ফালৰপৰা মৌখিক যোগাযোগৰ পৰিসৰ কেৱল মুখে মুখে সম্পৰ্ক স্থাপন বা কথা বতৰা পতা কাৰ্যতকৈ কিছু ব্যাপক। উদাহৰণ স্বৰূপে শ্ৰব্য আৰু দৃশ্য মাধ্যমৰ জৰিয়তে কৰা যোগাযোগৰ কথা ক'ব পাৰি। গতিকে মৌখিক যোগাযোগৰ ভিতৰত মুখা-মুখি, দূৰভাষ যন্ত্ৰ (টেলিফোন বা ম'বাইল ফোন) ৰ যোগে, দৃশ্য (দূৰদৰ্শন যোগে) আৰু শ্ৰব্য (ৰেডিঅ' বা অন্য অনুভাষ যন্ত্ৰ যোগে) আদি মাধ্যমৰ জৰিয়তে কৰা যোগাযোগক সামৰিব পাৰি। ইয়াৰে দৃশ্য আৰু শ্ৰব্য মাধ্যম যোগে হোৱা যোগাযোগ পৰোক্ষ মৌখিক যোগাযোগ হিচাপে গণ্য কৰিব পাৰি। আধুনিক প্ৰযুক্তিয়ে প্ৰদান কৰা দৃশ্য-শ্ৰব্য (video calling, video conference) যোগাযোগক প্ৰযুক্তিগত মুখামুখি যোগাযোগ বুলি অভিহিত কৰিব পাৰি।

মুখামুখি যোগাযোগ অধিক ফলপ্ৰসূ আৰু ভাৱ বিনিময়ৰ বাবে উপযোগী। ইয়াত প্ৰেৰক আৰু গ্ৰাহক মুখামুখিকৈ থকা বাবে গ্ৰাহকক আকৰ্ষণ কৰিবলৈ বাৰ্তা প্ৰেৰণ কৰোঁতে প্ৰেৰকে দেহভংগী, অংগ সংকেত, চাক্ষুষ অভিব্যক্তি আদিৰ প্ৰদৰ্শনৰ সুযোগ থাকে। গ্ৰাহকৰ মনোযোগ আনিবলৈ প্ৰেৰকে উল্লিখিত কৌশল প্ৰয়োগ কৰিব পাৰে। মুখামুখি যোগাযোগৰ ভিতৰত দুই বা ততোধিক লোকৰ কথোপকথন, শ্ৰেণীৰ পাঠদান, আলোচনা চক্ৰ, সভা-সমিতিৰ ভাষণ আদিক সামৰিব পাৰি। কথোপকথন, পাঠদান আদিত গ্ৰাহকে কিবা বিষয় নুবুজিলে প্ৰেৰকক সুধি লোৱাৰ সুবিধাও থাকে। দূৰভাষ যন্ত্ৰৰ যোগে হোৱা মৌখিক যোগাযোগত বুজি নোপোৱা বিষয় পুনৰ সোধাৰ সুবিধা থাকে যদিও প্ৰেৰকে বক্তব্য বিষয় আকৰ্ষণীয় কৰিবলৈ দেহভংগী, চাক্ষুষ অভিব্যক্তি বা অঙ্গ সংকেত দেখুওৱাৰ সুবিধা নাথাকে। সভা সমিতিৰ ভাষণত প্ৰেৰকে গ্ৰাহকক সন্মুখত ৰাখি বক্তব্য উপস্থাপন কৰে যদিও গ্ৰাহকে কিবা বিষয় বুজি নাপালেও সোধাৰ সুবিধা নাথাকে। দৃশ্য মাধ্যম (ৰেডিঅ', মাইক যোগে কৰা প্ৰচাৰ বা ঘোষণা) ৰ জৰিয়তে হোৱা মৌখিক যোগাযোগত বাৰ্তা প্ৰেৰকৰ সন্মুখত গ্ৰাহক নাথাকে বাবে মুখামুখি যোগাযোগৰ সমান ফলপ্ৰসূ নহয়।

মৌখিক যোগাযোগ ফলপ্ৰসূ আৰু ক্ৰিয়াশীল কৰিবৰ বাবে কণ্ঠস্বৰক নিয়ন্ত্ৰণ কৰাটো অপৰিহাৰ্য। কণ্ঠস্বৰৰ নিয়ন্ত্ৰণে বক্তব্য বিষয় আকৰ্ষণীয় আৰু বক্তাৰ স্বকীয়তা প্ৰতিফলিত কৰে। কণ্ঠস্বৰে বক্তাৰ মানসিক অৱস্থা (খং, ভয়, দুখ আদি) প্ৰতিফলিত কৰে। কণ্ঠস্বৰৰ কলাত্মক প্ৰক্ষেপনে শ্ৰোতাৰ মন মোহিব পাৰে। তাৰ বাবে উপযুক্ত অনুশীলন আৰু প্ৰশিক্ষণৰ প্ৰয়োজন। কণ্ঠস্বৰক নিয়ন্ত্ৰণ কৰি আকৰ্ষণীয় আৰু শুৱলা কৰিব পাৰিলে মৌখিক যোগাযোগ সঁহাৰিপূৰ্ণ হয়। কণ্ঠস্বৰ নিয়ন্ত্ৰণৰ বাবে মাতৰ তীব্ৰতা, কথনৰ বেগ, কণ্ঠস্বৰৰ কম্পন, বিৰতি আদি দিশবোৰ অপৰিহাৰ্য। ইয়াত কথনৰ বেগ সম্পৰ্কে আলোচনা কৰা হ'ব।

কথনৰ বেগ বুলিলে এটা নিৰ্দিষ্ট সময়ত বক্তাই উচ্চাৰণ কৰা শব্দৰ পৰিমাণক বুজায়। কোনো এটা বাৰ্তা বা বিষয় বক্তাই কিমান লাহেকৈ বা কিমান খৰকৈ উপস্থাপন কৰিলে, সেয়ে কথনৰ বেগ। বক্তাৰ কথনৰ বেগ দ্ৰুত হ'লে অৰ্থাৎ খৰকৈ কথা কলে শ্ৰোতাই বিষয়বস্তু বুজি পাবলৈ সময় কম পায় আৰু বিষয়বস্তুৰ ভাৱ এটাৰ পৰা আন এটালৈ পৰিৱৰ্তন ঘটাবলৈ শ্ৰোতাৰ অসুবিধা হয়। ফলত শ্ৰোতা অমনোযোগী হয় আৰু যোগাযোগ ব্যাহত হয়। এইক্ষেত্ৰত প্ৰয়োজনীয় স্থানত বিৰতি দি শ্ৰোতাক বিষয়বস্তু অনুধাৱন কৰিবলৈ সুবিধা দিলে ভালদৰে বুজি পাব আৰু উপযুক্ত সঁহাৰি লাভ কৰিব। সেইদৰে বিষয়বস্তু আকৰ্ষণীয় হ'লেও বক্তাই অতি লাহে লাহে ক'লে বিৰক্তিদায়ক হৈ পৰে। ভাৱ অনুসৰি কথনৰ বেগ নিয়ন্ত্ৰণ কৰিব পৰাতে মৌখিক যোগাযোগৰ সফলতা নিৰ্ভৰ কৰে।

মানুহে জন্মগতভাৱে কথা ক'বলৈ শিকি নাহে। সকলোৱে পিতৃ-মাতৃ, নিকট আত্মীয়ৰ কথনশৈলীৰ পৰা আপোনা-আপুনি কথনভঙ্গী শিকি লয়। তাৰ মাজতো একে পৰিয়ালৰ সদস্যৰ কথনৰ বেগৰ তাৰতম্য থাকে। কিছুমানৰ কথনৰ বেগ ধীৰ আৰু কিছুমানৰ দ্ৰুত হয়। স্বাভাৱিক কথা-বতৰাত আমি কথনৰ বেগৰ প্ৰতি লক্ষ্য নৰখাকৈয়ে মৌখিক যোগাযোগ কৰোঁ। কিন্তু আনুষ্ঠানিক মৌখিক যোগাযোগৰ বেলিকা অনুশীলন বা প্ৰশিক্ষণৰ যোগে তাৰ এক মান্য নিৰিখলৈ উন্নীত কৰাৰ প্ৰয়োজন আছে। কথনৰ বেগৰ মান্য নিৰিখে শ্ৰোতাক বিষয়বস্তু সহজবোধগম্য কৰি তোলে, প্ৰেৰক বা বক্তাই উপযুক্ত সঁহাৰি লাভ কৰিব পাৰে, যোগাযোগ প্ৰক্ৰিয়া কলাত্মক হৈ পৰে। কথনৰ বেগৰ মান্য নিৰিখ বুলিলে সময়ৰ জোখেৰে এক মিনিটত ক'ব লগা শব্দৰ পৰিমাণক সূচায়। অৱশ্যে এই নিৰিখ ভাষা অনুসৰি বেলেগ বেলেগ। ভাষাভেদে শব্দ গঠন আৰু উচ্চাৰণ পৃথক হোৱা বাবে এটা নিৰ্দিষ্ট সময়ত অৰ্থ আৰু ভাৱ প্ৰকাশ কৰিব পৰাকৈ সকলো ভাষাৰ একে পৰিমাণৰ শব্দ উচ্চাৰণ কৰিব নোৱাৰি। অসমীয়া ভাষাত এক মিনিটত ১২০-১৫০ টা শব্দৰে বক্তব্য প্ৰদান কৰিলে মৌখিক যোগাযোগ সঁহাৰিপূৰ্ণ আৰু কলাত্মক হয় বুলি বিষয় বিজ্ঞমহলে কথনৰ বেগ নিৰূপণ কৰিছে। (নীৰাজনা মহন্ত বেজবৰা, যোগাযোগ কলা, পৃ. ৪০, বনলতা, ডিব্ৰুগড়, দ্বিতীয় প্ৰকাশ, ২০১২)

শ্ৰোতোভেদে বিষয় অনুধাৱন কৰিব পৰা ক্ষমতা বেলেগ বেলেগ। ডাঙৰৰ লগত বাৰ্তালাপ বা যোগাযোগ কৰোঁতে যি বেগত কথন কৰা হয়, কম বয়সীয়া ল'ৰা-ছোৱালীৰ লগত সেই বেগৰ গতি কিছু হ'লেও মন্থৰ হ'ব লাগিব। সেইদৰে কোনো পৰিচিত বিষয় সন্দৰ্ভত যোগাযোগ কৰোতে প্ৰয়োগ কৰা কথনৰ বেগতকৈ নতুন বিষয় সম্পৰ্কত কৰা যোগাযোগত কথনৰ বেগ মন্থৰ হয়। আৱেগৰ ওপৰতো কথনৰ বেগ বহুখিনি নিৰ্ভৰ কৰে। স্বাভাৱিক ভাৱে কোৱা কথাতকৈ আবেগিক হৈ কোৱা কথাত কথনৰ বেগ দ্ৰুত হয়। আকৌ আবেগ অনুসৰি কথনৰ বেগ সুকীয়া সুকীয়া হয়। উদাহৰণস্বৰূপে দুখত কওঁতে কথনৰ বেগ ধীৰ আৰু খঙত দ্ৰুত হয়। পৰিৱেশ, পৰিস্থিতি, ভাৱ আৰু বিষয় অনুসৰি কথনৰ বেগ সাল-সলনি কৰিবলগীয়া হয়। শ্ৰেণীত পাঠদান কৰোতে যি বেগত কথা কোৱা হয়, সভা সমিতিত বক্তৃতা দিওঁতে বা ৰাজনৈতিক নেতাই নিৰ্বাচনী ভাষণ দিওঁতে কথনৰ বেগ খৰতকীয়া হোৱা দেখা যায়। জেষ্ঠ বা মান্যজনৰ লগত মৌখিক যোগাযোগ কৰোঁতে যি বেগত কথা কোৱা হয়, সমনীয়া বা কনিষ্ঠজনৰ লগত কথা-বতৰা পাতোতে তুলনামূলকভাৱে দ্ৰুত হয়। অৰ্থাৎ মান্যতা প্ৰদৰ্শনৰ লগতো কথনৰ বেগৰ তাৰতম্য ঘটে। কেতিয়াবা পৰিস্থিতি অনুসৰি কথনৰ বেগ আপোনা-আপুনি সলনি হৈ যায়। যেনে- জৰুৰী অৱস্থাত কথনৰ বেগ দ্ৰুত হয়। ঘৰত থকা অৱস্থাত ল'ৰাই মাকক 'ভাত বাঢ়ি দিয়া' বুলি কোৱা কথনৰ বেগতকৈ স্কুললৈ যাবলৈ পলম হোৱা অৱস্থাত একেটা বাক্যতে দ্ৰুত বেগত কয়। সেইদৰে কথনৰ

বেগ অনুসৰি শ্ৰোতাইও সেইমতে সঁহাৰি দিয়ে। লেহেমীয়া বা স্বাভাৱিক বেগেৰে প্ৰক্ষেপ কৰিলে প্ৰেৰকৰ কথাৰ সঁহাৰি বা প্ৰতিক্ৰিয়া যি পৰিমাণৰ হয় একেটা কথাকে দ্ৰুতভাৱে ক'লে তাৰ সঁহাৰি বা প্ৰতিক্ৰিয়াও খৰ হয়। অৱশ্যে ভাষণ, পাঠদান, ঘোষণা আদিৰ ক্ষেত্ৰত বিষয় অনুসৰি এক নিৰ্দ্ধাৰিত বেগ সৰ্বজনগ্ৰাহ্য। তেতিয়াহে মৌখিক যোগাযোগ ফলপ্ৰসু হ'ব। কেতিয়াবা একেটা বাক্যতে কথনৰ বেগ কোনো ঠাইত দ্ৰুত আৰু কোনো ঠাইত ধীৰ কৰি বক্তব্য বিষয় মনোগ্ৰাহী কৰা দেখিবলৈ পোৱা যায়। গতিকে কথনৰ বেগৰ লগত কণ্ঠস্বৰৰ উত্থান-পতন, মাতৰ তীব্ৰতা আৰু যথাস্থানত বিৰতি আদি দিশকেইটা অঙ্গাঙ্গী ভাৱে জড়িত হৈ আছে।

---

ডঃ বুদ্ধেশ্বৰ কোচ